এটি শিশুৰ হৃদয় ৰাখা

২০২৬ নৱবৰ্ষৰ কাৰণে এটি বাৰ্তা

দিব্য লোকৰ পৰা পূজ্য বাবুজীৰ হুইচপাৰৰ দ্বাৰা অনুপ্ৰাণিত

দাজী

এটি শিশুৰ হৃদয় ৰাখা

২০২৬ নৱবৰ্ষৰ কাৰণে এটি বাৰ্তা
দিব্য লোকৰ পৰা পূজ্য বাবুজীৰ হুইচপাৰৰ দ্বাৰা অনুপ্ৰাণিত

उलझनों में खोया जहाँ है, मासूम सा हो जा तू
रूह का तख़्त यही दिल है जानम, सादगी में खो जा तू

উলঝনো মে খোয়া জাহাঁ হে, মাসুম সা হো জা তু
ৰূহ কা তখত্ যহি দিল হে জানম্, সাদগী মে খো জা তু

যদি আপুনি বিভ্ৰান্তিত হেৰাই গৈছে, নিৰ্জু হৈ পৰক। হৃদয় সেই স্থান য'ত আত্মাই নিবাস কৰে। প্ৰিয়জন, নিজকে সৰলতাত গতি কৰিবলৈ দিয়ক।

প্ৰিয় ভাতৃ আৰু ভগ্নীসকল,

আমি ২০২৬ বৰ্ষৰ ওচৰ চপাৰ লগে লগে 'এটি শিশুৰ হৃদয় ৰাখা' বুলি মাষ্টাৰসকলে সদায়েই কোৱা কথাটোৰ ওপৰত মই অনুধাৱন কৰিব বিচাৰিছোঁ। অতি সৰল এই মাৰ্গদৰ্শনটোৱেই সকলো আধ্যাত্মিক জীৱনৰ ছাবিকাঠি বহন কৰে। কিন্তু এই শিকনিটো সদায়েই কিয় গুৰুত্বপূৰ্ণ, আৰু আমাৰ ৰাষ্ট্ৰৰ উচ্চতম লক্ষ্যৰ কাৰণে এইটো কেনেকৈ ছাবিকাঠি সেই কথাটো আপোনালোকৰ আগত ক'ম।

পৃথিৱীখন এটা পৰিয়াল, অথবা *বসুধৈৱ কুটুম্বকম্* । এইটো ভাৰতবৰ্ষৰ, আমাৰ মাতৃভূমিৰ প্ৰাচীন বাৰ্তা। আমি এইদৰে কৈ গৌৰৱান্বিত অনুভৱ কৰোঁ। ৰাষ্ট্ৰসমূহ একত্ৰিত হ'লে আমি তেনেদৰে কওঁ। কিন্তু আমাৰ মনটোত সাময়িক বিৰতি লৈ অনুধাৱন কৰিলে এই প্ৰশ্নটো আহে যে যদি আমাৰ নিজা বাসগৃহতেই এই লক্ষ্যটো কাৰ্যত সাধন কৰিব নোৱাৰোঁ, এইটো কেতিয়াবা পৃথিৱীখনত সাধন কৰা সম্ভৱনে?

আপোনাৰ নিজৰ পৰিয়ালৰ কথা ভাবক। আপোনালোক তিনিজন, চাৰিজন বা অধিক। এই সৰু পৰিৱেষ্টনিটোৰ মাজত আপুনি কাক অটাইতকৈ ভাল পাই গম পাইনে? পৰিয়ালৰ আন এজন মানুহে কেনেদৰে কাৰ্য কৰিলে বা কৰিব নোৱাৰিলে আপোনাৰ হৃদয়ত সেইটোৰ কিবা খতিয়ান ৰাখেনে? "তাই ২০১৯ চনত এইটো মোক কৈছিল", "মই কিমান স্বাৰ্থত্যাগ কৰিলোঁ সি সেইটোৰ মূল্যই নিদিলে", "মই যিটো কৰোঁ সিহঁতে কেতিয়াও শলাগ নলয়"। আমি এই কথাবোৰৰ খতিয়ান ৰাখোঁ, কেতিয়াবা আনকি অনুভৱ নকৰাকৈয়ে এইবোৰ ৰাখোঁ। যেতিয়ালৈকে এই খতিয়ানবোৰ আমাৰ মাজত থাকে, *বসুধৈব কুটুম্বকম্* কেৱল এটা সুন্দৰ খণ্ড-বাক্যই হৈ ৰ'ব।

এতিয়া এটি শিশুলৈ মন কৰক। শিশু এটিৰ হৃদয় সামগ্ৰিক। যেতিয়া সিঁহতে পানীত খেলে, সিহঁতে হাইড্ৰ'জেন আৰু অক্সিজেনৰ কথা নাভাবে, কেৱল সিহঁতে পানী ছটিয়ায়। এটাই আনটোক ভাল পাওঁতে তাত কোনো চৰ্ত নাথাকে, কোনো পৰিধি নাথাকে, অতীতৰ কোনো স্মৃতিয়ে তাত আঘাত নাহানে। শিশু এটিয়ে কেতি্যাও নকয়,"মই বিচৰাটো দিলেহে মই তোক ভাল পাম।" শিশু এটিয়ে যোৱাকালি পোৱা আঘাত আজি কেতিয়াও মনত নাৰাখে। এইটো হৃদয়েই কষ্ট আৰু বিষাদৰ পৰা সদায় সুৰক্ষিত হৈ থাকে আৰু জীৱনৰ কঠিন পৰিস্থিতিত নিৰাপদে থাকে। সঁচা অৰ্থত পৰিয়াল ৰক্ষা কৰা হৃদয় কেৱল এইটোৱেই, সেইটো সৰু পৰিয়াল বা সমগ্ৰ বিশ্ব অধিকাৰ কৰি লোৱা পৰিয়াল যিয়েই নহওক।

আত্মাৰ সিংহাসন

মাষ্টাৰসকলে আমাক মনত পেলাই দিয়ে যে হৃদয়তেই আত্মাই বাস কৰে, আৰু

এইটোৱেই ইয়াৰ অতিক্ৰমণৰ সন্ধানৰ কাৰণে অস্তিত্বৰ মূলসত্তা। এই স্তৰটো মহত্বপূৰ্ণ। আমি কি সাধন কৰোঁ, আমাক কেনেধৰণে আধ্যাত্মিক যেন লাগে, কিমান বছৰ আমি আধ্যাত্মিক পথত আছোঁ সেইবোৰ কোনো কথা নহয়। আমাৰ হৃদয় শিশুৰ দৰে সৰল, পবিত্ৰ হৈ পৰিছেনে নাই সেইটোহে গুৰুত্বপূৰ্ণ।

> মাষ্টাৰসকলে আমাক মনত পেলাই দিয়ে যে হৃদয়তেই আত্মাই বাস কৰে, আৰু এইটোৱেই ইয়াৰ অতিক্ৰমণৰ সন্ধানৰ কাৰণে অস্তিত্বৰ মূলসত্তা। এই স্তৰটো মহত্বপূৰ্ণ। আমি কি সাধন কৰোঁ, আমাক কেনেধৰণে আধ্যাত্মিক যেন লাগে, কিমান বছৰ আমি আধ্যাত্মিক পথত আছোঁ সেইবোৰ কোনো কথা নহয়। আমাৰ হৃদয় শিশুৰ দৰে সৰল, পবিত্ৰ হৈ পৰিছেনে নাই সেইটোহে গুৰুত্বপূৰ্ণ।

এটি শিশুৱে নিশিকোৱাকৈ কি জানে?

সাধাৰণ বস্তুতে আশ্চৰ্যৱান্বিত হোৱাটো। কোনো প্ৰমাণ নিবিচৰাকৈ বিশ্বাস কৰাটো। বিনা চৰ্তই ভাল পোৱাটো। কোনো পৰিকল্পনা নথকাকৈ বৰ্তমানত থকাটো। একো মনত নৰখাকৈ ক্ষমা কৰাটো। কোনো প্ৰত্যাশা নকৰাকৈ আনক দিয়াটো।

এই তালিকাখন সযত্নে কল্পনা কৰক। এইটোৱেই *বসুধৈৱ কুটুম্বকম্* কথাটোৱে আমাৰ পৰা বিচৰা আচল কথাটো নহয়নে? আমি দৰ্শন আৰু নিয়মনিষ্ঠাৰ মাজেদি শিকিবলৈ প্ৰয়াস কৰা সকলোবোৰ শিশুৱে ইতিমধ্যেই জানে।

কঠোৰ হৈ পৰাটো আমি দূৰ কৰিবই লাগিব

জীৱনে আমাক কঠোৰ কৰে। হতাশাবোৰ হৃদয়ৰ চাৰিওফালে কঠিন হৈ পৰে। দায়িত্ববোৰে কৰচ সৃষ্টি কৰে। আনকি আধ্যাত্মিক প্ৰগতিৰ প্ৰয়াসো যদি সমৰ্পণ নহৈ কিবা অৰ্জন কৰাৰ কাৰণে হয় ই এক প্ৰকাৰৰ কঠিন আৱৰণ হৈ পৰিব

পাৰে। আৰু লাহে লাহে, আমি লক্ষ্য নকৰাকৈয়ে খতিয়ান ৰাখিবলৈ আৰম্ভ কৰোঁ। স্বামী বা স্ত্ৰীয়ে বুজি নাপালে। শিশুটোৱে নামাতিলে। পিতৃ-মাতৃয়ে অস্বীকাৰ কৰিলে। ভাই ভনীয়ে সমৰ্থন নকৰিলে। আমাৰ আৱেগিক খতিয়ানৰ প্ৰতিটো কথাই আমি ভালপোৱা সকলক আমাৰ পৰা বিচ্ছেদ কৰাৰ প্ৰাচীৰখনৰ এটা এটা ইটাৰ টুকুৰা।

আৰু যদি আমি চাৰিজনৰ পৰিয়াল এটাত এই প্ৰচীৰবোৰ ভাঙিব নোৱাৰোঁ, ৰাষ্ট্ৰবোৰৰ মাজত, অঞ্চলবোৰৰ মাজত, জাতিবোৰৰ মাজত প্ৰাচীৰবোৰ ভঙাৰ কি আশা আছে?

২০২৬ বৰ্ষৰ গুপ্ত কথা

২০২৬ বৰ্ষই আমালৈ আগবঢ়োৱা গুপ্ত কথা এইটো: আধ্যাত্মিক অনুভৱৰ অভিজ্ঞতাৰ মাজেদি বা আধ্যাত্মিক জ্ঞান আহৰণৰ মাজেদি ঈশ্বৰলৈ গতি নিশ্চিত কৰিব পৰা নাযায়। সৰু শিশুৰ নিচিনা হোৱাৰ মাজেদিহে এইটো সম্ভৱ। সেইসকল, যিসকলে এপাহ ফুলৰ বিস্ময়ত শিৰ নত কৰিব পাৰে। সেইসকল, যিসকলে লাজ নকৰাকৈ কান্দিব পাৰে। সেইসকল, যিসকলে কোনো কাৰণ নহোৱাকৈ হাঁহিব পাৰে। সেইসকল, যিসকলে ভয় নথকাকৈ ভাল পাব পাৰে। সেইসকল, যিসকলে কোনো খতিয়ান নৰখাকৈ ক্ষমা কৰিব পাৰে।

যিটো হৃদয়ে আমাক ঈশ্বৰৰ সৈতে সংলগ্ন কৰে সেই একেটা হৃদয়েই আমাক পৰস্পৰৰ সৈতে সংলগ্ন কৰে। আপোনাক দুটা হৃদয় নালাগে: দিব্যতাৰ কাৰণে এটা আৰু আপোনাৰ পৰিয়ালৰ কাৰণে এটা। কেৱল এটাই হৃদয়, আৰু ই এটি

২০২৬ বৰ্ষই আমালৈ আগবঢ়োৱা গুপ্ত কথা এইটো: আধ্যাত্মিক অনুভৱৰ অভিজ্ঞতাৰ মাজেদি বা আধ্যাত্মিক জ্ঞান আহৰণৰ মাজেদি ঈশ্বৰলৈ গতি নিশ্চিত কৰিব পৰা নাযায়। সৰু শিশুৰ নিচিনা হোৱাৰ মাজেদিহে এইটো সম্ভৱ।

শিশুৰ হৃদয় হ’ব লাগিব।

পৃথিৱীখনে আপোনাক ডাঙৰ হ’বলৈ ক’ব, গম্ভীৰ হ’বলৈ ক’ব, নিজক ৰক্ষা কৰিবলৈ আৰু আপোনাৰ আধ্যাত্মিক প্ৰগতিৰ মাপকাঠি ল’বলৈ ক’ব। কিন্তু মাষ্টাৰসকলে বেলেগ কিবা কয়। তেওঁলোকে কয়, “সৰু শিশুৰ নিচিনা হোৱা।” তেওঁলোকে কয়, “উৎসলৈ প্ৰত্যাৱৰ্তন কৰা আৰু জীৱন সজীৱ হ’বলৈ দিয়া।” তেওঁলোকে কয়, “সকলো হৃদয়ৰ ওপৰত নিৰ্ভৰ কৰে।”

এই বৰ্ষটোৰ কাৰণে এটা অনুশীলন

এই বৰ্ষটোত আপোনাৰ শিশুসূলভ প্ৰকৃতিটো আপোনাৰ নিজৰ গৃহত পুনৰুদ্ধাৰ কৰি আৰম্ভণি কৰক। যেতিয়া আপুনি ধ্যান কৰিবলৈ বহে, এটি শিশুৱে একো কাৰ্য্সূচী নিৰ্ধাৰণ নকৰাকৈ পিতৃমাতৃৰ ওচৰলৈ দৌৰাৰ দৰে আপুনি খোলা হাতেৰে আৰু খোলা হৃদয়েৰে ধ্যানলৈ আহক। আৰু যেতিয়া আপুনি ধ্যানৰ পৰা উঠে, সেই একেটা হৃদয় আপোনাৰ পুৱাৰ খোৱাৰ মেজলৈ, আপোনাৰ স্বামী বা স্ত্ৰীৰ ওচৰলৈ, আপোনাৰ ল’ৰা-ছোৱালীৰ ওচৰলৈ, আপোনাৰ পিতৃমাতৃৰ ওচৰলৈ বহন কৰক।

কোনে কি কৈছিল তাৰ খতিয়ান নাৰাখিব। পুৰণি আঘাতবোৰৰ হিচাপ নাৰাখিব। আপোনাৰ প্ৰত্যাশাবোৰ পূৰণ কৰি আনে আপোনাৰ পৰা প্ৰেম আদায় কৰা হ’ব নালাগে।

যেতিয়া আপুনি আনৰ সেৱা কৰে, শিশুৱে সিঁহতৰ মাজত খেলৰ পুতলা ভাগ বতৰা কৰাৰ দৰে সেৱা কৰক :কেৱল বিলোৱাৰ আনন্দৰ কাৰণে, কিবা লাভৰ কাৰণে বা স্বীকৃতি পোৱাৰ কাৰণে নহয়। যেতিয়া সম্পৰ্কবোৰ কঠিন হৈ পৰে, এটি শিশুৱে বিশ্বাস আৰু আস্থা ৰখাৰ দৰে আস্থাভাজন হওক। এই কাৰণে নহয় যে আন মানুহজন আস্থাৰ যোগ্য বুলি আপোনাৰ ওচৰত প্ৰমাণ আছে, কিন্তু বিশ্বাস আৰু আস্থা ৰখাটো আপোনাৰ প্ৰকৃতি, আৰু আপোনাৰ হৃদয়ত

সন্দেহৰ কোনো স্থান নাই।

পৰিৱৰ্তনৰ লহৰ

যদি আমি এইটো কৰিব পাৰোঁ, অপূৰ্ব কিবা এটা ঘটিব। আমাৰ চ'ৰাঘৰৰ পৰা আৰম্ভ হোৱা *বসুধৈৱ কুটুম্বকম্* বাহিৰলৈ নিৰ্গমিত হ'ব। খতিয়ান ব্যৱহাৰ নকৰা এটা পৰিয়াল এটা সম্প্ৰদায় হৈ পৰে যিটোৱে খতিয়ান ব্যৱ্হাৰ নকৰে। চৰ্তহীনভাৱে প্ৰেম কৰা এটা সম্প্ৰদায় চৰ্তহীনভাৱে প্ৰেম কৰা এখন ৰাষ্ট্ৰৰ কৰাণে বীজ হৈ পৰে। আৰু সঁচাকৈয়ে এটা পৰিয়াল হৈ পৰা এখন ৰাষ্ট্ৰই শেষত পৃথিৱীখনকো সঁচাকৈ এটা পৰিয়াল হোৱাৰ কাৰণে আহ্বান জনাব পাৰে।

এই পৰিৱৰ্তন ক'ৰবাত আৰম্ভ হ'ব লাগিব। এইটো আপোনাৰ হৃদয়ত আৰম্ভ হ'বলৈ দিয়ক। এইটো এই বৰ্ষটোত আৰম্ভ হ'বলৈ দিয়ক।

এই বাৰ্তাটো অনুপ্ৰাণিত কৰা হুইচপাৰ

অন্তৰত এই অনুধাৱনৰ প্ৰেৰণাৰ কাৰণে স্ফুলিঙ্গ সৃষ্টি কৰা বাবুজীৰ দিব্যলোকৰ এটা বাৰ্তালৈ আহোঁ আহক।

সোমবাৰ, ১৮ অক্টোবৰ, ২০০৪, পুৱা ১০.০০ বজা

"এই শিশুসুলভ হৃদয়টো ৰাখা, যিটোৱে তোমাক হানি হোৱাৰ পৰা নিৰাপদে ৰাখিছে। এইটোৱেই আমি আমাৰ প্ৰত্যেকজন ভাতৃকে ক'ব পাৰোঁ : এইটোৱেই হৃদয় য'ত আত্মাই বাস কৰে, এইটোৱেই ইয়াৰ অতিক্ৰমণৰ সন্ধানৰ কাৰণে অস্তিত্বৰ মূলসত্তা। এই স্তৰটোতেই সকলো নিৰ্ভৰশীল। সৰু ল'ৰা-ছোৱালীৰ নিচিনা হোৱা। যদি জীৱনৰ কঠিনতাই তোমাক উৎসৰ পৰা ঠেলি দিয়ে, তোমাক জীৱনলৈ পুনৰ ঘূৰাই আনিবলৈ এইটোৱেই একমাত্ৰ বস্তু। যিটো প্ৰকৃততে গুৰুত্বপূৰ্ণ সেইটোত কেন্দ্ৰীত হ'বলৈ সহায় কৰাটোৱেই তোমাৰ আধ্যাত্মিক যাত্ৰাৰ উদ্দেশ্য।"

“তুমি এইটো তোমাৰ মাজত অনুভৱ কৰা। তোমাৰ ভৌতিক জীৱনে তোমাক সুখী কৰিব পাৰে, আৰু কিবা হেৰুৱাই পেলোৱাৰ দৰে তোমাক একো নথকাৰ অনুভৱৰ অৱস্থালৈও নিব পাৰে। কিন্তু এটা অন্তহীন অনুশীলনে দিব্যতাৰ সৈতে এক হোৱাৰ এই প্ৰবল ইচ্ছা ভৌতিক পৃষ্ঠলৈ অধিকৰ পৰা অধিকতৰ লৈ আনে। সেইটোৱেই এটা দীঘলীয়া সন্ধানৰ অন্ত; সাধকজনৰ মাজত সত্য উদয় হয়।”

“এই সন্ধান ক্ষেত্ৰত সকলো অতি সহজ: তুমি মাত্ৰ এইটো বিচাৰিব লাগিব, সঠিক ভাবে অনুশীলন কৰিব লাগিব, আৰু যেতিয়া তোমাক তোমাৰ আচল নিয়তিৰ পৰা আঁতৰত ৰখা এটা সমস্যাপূৰ্ণ মিথ্যা জীৱনত তুমি তোমাৰ অধিকাৰ হেৰুৱাই পেলোৱা, তুমি হেৰুৱা প্ৰজ্ঞা মনত ৰাখা।”

— বাবুজী

আমি পাহৰি যোৱা সৰলতা

বাবুজীয়ে কৈছে যে সকলো অতি সহজ। মাত্ৰ বিচৰাটো, শুদ্ধকৈ অনুশীলন কৰাটো আৰু আমি হেৰুৱাই পেলোৱা প্ৰজ্ঞা পুনৰুদ্ধাৰ কৰাটোৱেই আমাক লাগে। এই প্ৰজ্ঞা হৈছে এটি শিশুৰ মাজৰ প্ৰজ্ঞা যি কোনো কথাৰ খতিয়ান নাৰাখি ভাল পাই, স্মৃতি নাৰাখি ক্ষমা কৰে, আৰু কোনো প্ৰত্যাশা নথকাকৈ আনক সকলো দিয়ে। সেইটোৱেই বসুধৈৱ কুটুম্বকম সম্ভৱ কৰি তোলা আন্তৰিক প্ৰজ্ঞা। সেই আন্তৰিক প্ৰজ্ঞা লৈয়ে আমি জন্ম লৈছোঁ, আৰু আমি এতিয়া সেইটো পুনৰ দাবী কৰিব পাৰোঁ।

২০২৬ বৰ্ষটো আপুনি নিজক আকৌ সৰল হ’বলৈ দিয়ক। এই বছৰটোত আপুনি সহজে হাঁহক, মুকলিকৈ কান্দক, মুক্তভাবে আনক ভাল পাওক, আৰু গভীৰভাবে আনৰ ওপৰত আস্থা আৰু বিশ্বাস ৰাখক। এই বৰ্ষটো আপুনি আপোনাৰ অতি প্ৰিয় লোকসকলৰ প্ৰতি ইমান দিনে, বোধকৰো দশক যুৰি ৰাখি থোৱা খতিয়ানবোৰ আপুনি পুৰি পেলাৱা বৰ্ষ হ’বলৈ দিয়ক। এই বৰ্ষটো এনেকুৱা হ’বলৈ দিয়ক যে আপোনাৰ অনুশীলন এতিয়া আৰু কিবা অৰ্জন কৰাৰ কাৰণে হৈ থকাৰ

পৰিৱৰ্তে আপোনাৰ মাজত যিটো সদায় আছিল সেইটো উন্মোচিত হ'বলৈ দিছে: আপোনাক কেতিয়াও এৰি নোযোৱা সেই দেব শিশুটি, যিটো আপুনি প্ৰত্যক্ষ কৰাৰ কাৰণে, অন্তৰেৰে আদৰ কৰাৰ কাৰণে আৰু তাৰ সৈতে জীৱন নিৰ্বাহ কৰাৰ কাৰণে সদায় অপেক্ষাৰত।

২০২৬ বৰ্ষটো আপুনি নিজক আকৌ সৰল হ'বলৈ দিয়ক। এই বছৰটোত আপুনি সহজে হাঁহক, মুকলিকৈ কান্দক, মুক্তভাবে আনক ভাল পাওক, আৰু গভীৰভাবে আনৰ ওপৰত আস্থা আৰু বিশ্বাস ৰাখক। এই বৰ্ষটো আপুনি আপোনাৰ অতি প্ৰিয় লোকসকলৰ প্ৰতি ইমান দিনে, বোধকৰো দশক যুৰি ৰাখি থোৱা খতিয়ানবোৰ আপুনি পুৰি পেলাৱা বৰ্ষ হ'বলৈ দিয়ক। এই বৰ্ষটো এনেকুৱা হ'বলৈ দিয়ক যে আপোনাৰ অনুশীলন এতিয়া আৰু কিবা অৰ্জন কৰাৰ কাৰণে হৈ থকাৰ পৰিৱৰ্তে আপোনাৰ মাজত যিটো সদায় আছিল সেইটো উন্মোচিত হ'বলৈ দিছে: আপোনাক কেতিয়াও এৰি নোযোৱা সেই দেব শিশুটি, যিটো আপুনি প্ৰত্যক্ষ কৰাৰ কাৰণে, অন্তৰেৰে আদৰ কৰাৰ কাৰণে আৰু তাৰ সৈতে জীৱন নিৰ্বাহ কৰাৰ কাৰণে সদায় অপেক্ষাৰত।

এটাই গন্তব্যস্থল, এটাই হৃদয়

আপুনি বিচৰা একত্ব, আপুনি প্ৰাৰ্থনা কৰা লয়, আপুনি অনুশীলন কৰা চেতনাৰ অতিক্ৰমণ: এই সকলোবোৰ এটি শিশুৰ হৃদয়ত গুপ্ত হৈ আছে। আৰু সেইদৰেই *বসুধৈৱ কুটুম্বকম্*। সেই দুটা বেলেগ গন্তব্যস্থল নহয়। সেই গন্তব্যস্থল একেটাই। যিটো হৃদয় দিব্যতাৰ সৈতে লয় হ'ব পাৰে সেইটো পৰিয়ালৰ সৈতেও লয় হ'ব পাৰে। যিটো হৃদয়ে ঈশ্বৰৰ সৈতে কোনো খতিয়ান নাৰাখে, সেই হৃদয়ে স্বামী বা স্ত্ৰী, ল'ৰা-ছোৱালী, পিতৃ-মাতৃ বা সহোদৰ ভাই ককাইৰ সৈতেও কোনো খতিয়ান নাৰাখে।

সেই শিশুটি আপুনি। সদায় আছে। সদায় থাকিব।

শুভ নৱবৰ্ষ!

প্ৰিয়জন, য'ত মনৰ বিভ্ৰান্তি থাকে, আমি নিৰ্জু হওঁ আহক।

उलझनों में खोया जहाँ है, मासूम सा हो जा तू
रूह का तख़्त यही दिल है जानम, सादगी में खो जा तू

উলঝনো মে খোয়া জাহাঁ হে, মাসুম সা হো জা তু
ৰূহ কা তখত্ যহি দিল হে জানম্, সাদগী মে খো জা তু

যদি আপুনি বিভ্ৰান্তিত হেৰাই গৈছে, নিৰ্জু হৈ পৰক। হৃদয় সেই স্থান য'ত আত্মাই নিবাস কৰে। প্ৰিয়জন, নিজকে সৰলতাত গতি কৰিবলৈ দিয়ক।

নৱবৰ্ষ উপলক্ষে বাৰ্তা ১ জানুৱাৰী, ২০২৬

দাজীৰ সৈতে মাষ্টাৰক্লাচসমূহ



আপুনি যি কোনো সময়তে হাৰ্টফুলনেছৰ ধ্যান আৰম্ভ কৰিব পাৰে। দাজীৰ সৈতে তিনিটা খণ্ডৰ এলানি মাষ্টাৰক্লাচত অংশগ্ৰহণ কৰক, য'ত হাৰ্টফুলনেছ ধ্যানৰ মাজেদি পাব পৰা লাভৰ কথা কোৱা হৈছে। লগতে হাৰ্টফুলনেছৰ বিশ্ৰাম, ধ্যান, নিৰ্মলীকৰণ আৰু প্ৰাৰ্থনা কেনেকৈ দৈনন্দিন জীৱনত অন্তৰ্ভুক্ত কৰিব পাৰি বৰ্ণনা কৰা হৈছে। এই সকলোবোৰ মাষ্টৰক্লাচ বিনামূলীয়া।

https://heartfulness.org/global/masterclass/

হাৰ্টফুলনেছৰ অনুশীলনসমূহ

হাৰ্টফুলনেছৰ আনুশীলন উদঘাটন কৰক - বিশ্ৰাম, ধ্যান, নিৰ্মলীকৰণ আৰু প্ৰাৰ্থনা শিকক।

https://heartfulness.org/in-en/heartfulness-practices/

heartfulness

purity weaves destiny